**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 7-55 Hrs

***Assamese Morning Bulletin***
***:::::::::::::::::::::::::::::::::::::::::***

নতুন দিল্লীত আজি কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহ আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। এই সপ্তাহৰ সময়ছোৱাত প্ৰত্যেকগৰাকী চৰকাৰী কৰ্মচাৰীয়ে ৪ ঘণ্টাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ জৰিয়তে ব্যক্তিগত অংশগ্ৰহণকাৰীৰ উপৰি বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু সংগঠনৰ সামৰ্থ্যৰ বিকাশ ঘটিব।

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পাঁচোটা সমষ্টিতে তালাচী অভিযান বৃদ্ধি কৰা হৈছে। ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ৮৮ নম্বৰ চামগুৰী বিধানসভা উপ-নিৰ্বাচনকলৈ নগাঁও আৰক্ষীৰ তৎপৰতা বৃদ্ধি পাইছে। জিলাখনৰ বিভিন্ন স্থানত নগাঁও আৰক্ষীয়ে কালি সন্ধিয়া পৰা তালাচী অভিযান আৰম্ভ কৰিছে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ যোৰহাট জিলা কাৰ্যালয়ত কালি সক্ৰিয় সদস্য ভৰ্তি অভিযানৰ এটা কৰ্মশালাৰ অনুষ্ঠিত কৰা হয়। কৰ্মশালাত ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুজীৰ উপস্থিত থাকে। লগতে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, অসম প্ৰদেশৰ উপ-সভাপতি ৰাণা গোস্বামী, যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, অসম চাহ জনজাতি মৰ্চাৰ ৰাজ্যিক সভাপতি দুলেন নায়ক আৰু যোৰহাট জিলা বিজেপিৰ প্ৰভাৰী পংকজ বৰবৰাৰ লগতে বহু বিজেপিৰ সদস্য উপস্থিত থাকে।

০০০০০০০

যোৰহাট জিলাৰ খনিজ পদাৰ্থৰ উপলব্ধতা সন্দৰ্ভত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা জৰিপ প্ৰতিবেদন সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত যোৰহাটৰ জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, বন সংমণ্ডল বিষয়া, চক্ৰ বিষয়া, খনিজ আৰু খনিজ বিভাগৰ বিষয়াৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

যোৰহাটৰ নৱ-নিযুক্ত আয়ুক্তই কালি শ'লমৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন দিশ সন্দৰ্ভত বুজ লোৱাৰ লগতে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ লগত পৰ্যালোচনাত মিলিত হয়। এই পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীক যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই সংগ দিয়ে।

০০০০০০০

শোণিতপুৰ জিলাৰ ৰঙাপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ১৭ নম্বৰ লাইন বৰ্জুলি চাহ বাগিচাত কালি আয়ুষ্মাণ আৰোগ্য শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত স্থানীয় লোকৰ স্বাস্থ্য পৰীক্ষাৰ লগতে জনকল্যাণমূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিবিৰত অংশগ্ৰহণকাৰীসকলে অ-সংক্ৰামক ৰোগ পৰীক্ষা, কুহি ৰোগৰ পৰীক্ষা, গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে অ' আৰ এছ বিতৰণৰ কৰা হয়। সৰ্প দংশনৰ সঠিক পৰিচৰ্যা, উচ্চ ৰক্তচাপ আৰু বহুমূত্ৰ ৰোগৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই শিবিৰত স্থানীয় ৰাইজৰ ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হয়।

০০০০০০০

পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত কালি কৰিমগঞ্জ জিলা বিজেপিৰ কাৰ্যালয়ত সক্ৰিয় সদস্যপদ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত মুখ্য অতিথিৰূপে উপস্থিত থকা মন্ত্ৰীগৰাকীয়ে কয় যে কৰিমগঞ্জ জিলাত ইতিমধ্যে ২ লাখ সদস্যই অনলাইনযোগে ভাৰতীয় জনতা পাৰ্টীৰ সদস্যপদ গ্ৰহণ কৰিছে। মন্ত্ৰী মল্লবৰুৱাই লগতে জিলাখনৰ ৰাতাবাৰী আৰু পাথাৰকান্দি বিধানসভাই বিজেপিৰ অনলাইন সদস্যপদ অভিযানত ক্ৰমে ৪ আৰু ৬ নম্বৰ স্থান দখল কৰা বিধায়ক বিজয় মালাকাৰ তথা কৃষ্ণেন্দু পাল আৰু দলৰ সকলো স্তৰৰ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

**সমাপ্ত**